# REGIONEL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

০০০০০০

অসমৰ শেহতীয়া বান পৰিস্থিত সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনিক বাৰ্তালাপত মিলিত হয়। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে ভালেসংখ্যক লোকৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱ সন্দৰ্ভত প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰায়। ৰাজ্য চৰকাৰৰ সহযোগত সাহায্য অভিযান চলি থকাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে জনায় যে, বান পীড়িতসকলক সাহায্য আৰু পুনৰ সংস্থাপন দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন আগবঢ়াব। ইপিনে ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে বান, ভূমিস্খলন আদি প্ৰাকৃতিক দুৰ্যোগৰ সৈতে ছিকিমে যুঁজি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সহায় আৰু সাহায্যৰ সমৰ্থন আগবঢ়াব বুলি প্ৰকাশ কৰা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে, বান আৰু ভূমিস্খলনৰ ঘটনাৰ প্ৰতি ছিকিম চৰকাৰে সঁহাৰি জনাই সমৰ্থন আগবঢ়াইছে। তেওঁ লগতে কয়, যে জিলা প্ৰশাসনে বান পৰিস্থিতি চম্ভালিবৰ বাবে ৰাজ্য প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

শিলচৰৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি জিলাখনত উপস্থিত হৈছে। তেওঁ শিলচৰৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বান শিবিৰত উপস্থিত হৈ বানাক্ৰান্ত লোকসকলৰ সৈতে কথা পাতে। মুখ্যমন্ত্ৰীৰ সৈতে  জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে মন্ত্ৰী কৌশিক ৰায়, কৃষ্ণেন্দু পাল আদিও উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ বিধানসভা সমষ্টি আৰু ৰাজহ চক্ৰৰ অধীনৰ মৰাণ, ডিব্ৰুগড় পূব, তিংখং, নাহৰকটীয়া, টেঙাখাট আৰু ডিব্ৰুগড় পশ্চিমৰ প্ৰায় ৬৬ খন গাঁও বৰ্তমানলৈকে প্লাবিত হৈছে। ইয়াৰ ফলত ২০ হাজাৰ ১৭৯ জন লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰায় এহেজাৰ ৬০২ দশমিক ৭-৮ হেক্টৰ শস্যভূমিৰ ক্ষতি হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে বানাক্ৰান্ত অঞ্চলত সাহায্য প্ৰদান কৰাৰ লগতে জিলাখনত ১৫ টাতকৈ অধিক আশ্ৰয় শিবিৰ স্থাপন কৰিছে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এটা অনুষ্ঠানত গগৈয়ে বিদায়ী সভাপতি ভূপেন বৰাৰ পৰা আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। তেওঁ বিদায়ী সভাপতি ভূপেন বৰাই দলটোক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ প্ৰশংসা কৰে। অনুষ্ঠানত শ্ৰী বৰাই তেওঁ সভাপতি হৈ থকাৰ সময়ত আগবঢ়োৱা সহায়-সহযোগিতাৰ

বাবে সকলোকে ধন্যবাদ জনায়। গৌৰৱ গগৈয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্বভাৰ লোৱাৰ পূৰ্বে আজি পুৱা মা কামাখ্যা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰে। দলীয় কৰ্মীসকলে গায়ন-বায়নেৰে গগৈক ৰাজীৱ ভৱনলৈ আদৰি আনে।

০০০০০০

পাকিস্তানৰ হৈ চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত যোৰহাটৰ সেনা চাউনীৰ পৰা গ্ৰেপ্তাৰ কৰা ধুবুৰীৰ বিলাসীপাৰা খাচবাৰীৰ চামছুল ইছলামক কালি আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাই ৫ দিনৰ বাবে নিজৰ জিম্মাত লৈছে। আৰক্ষীয়ে লোকজনে ব্যৱহাৰ কৰা ম'বাইল ফোনটো জব্দ কৰিছে। সেনা চাউনীত এগৰাকী ঠিকাদাৰৰ অধীনত কাম কৰা লোকজনে পাকিস্তানৰ এটা সংস্থাৰ বিষয়ববীয়াৰ সৈতে নিজৰ ফোনযোগে সঘনে যোগাযোগ কৰাৰ তথ্য আৰক্ষীয়ে প্ৰাথমিক তদন্তত লাভ কৰিছে। অধিক তথ্যৰ বাবে লোকজনক যোৰহাট সদৰ থানাত জেৰা কৰি থকা হৈছে। সমগ্ৰ ঘটনাটো এন আই এৰ এটা দলে তদন্ত কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ধুবুৰী আৰু গুৱাহাটীত অপৰাধত অভিযুক্ত চামছুল ইছলামে ইয়াৰ পূৰ্বে যোৰহাটৰ বায়ু সেনা বাহিনীতো ঠিকাদাৰৰ অধীনত কাম কৰিছিল।

০০০০০০

দৰং জিলাত নিৰ্মাণ হ'বলগীয়া চিকিৎসা মহাবিদ্যালয়, ৰিংৰোড আদিৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত দৰং জিলা ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া উপস্থিত থাকে। কালিৰ সভাত অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীৰ প্ৰস্তাৱিত ভ্ৰমণ সন্দৰ্ভত সভাৰ স্থান নিৰ্ণয় কৰাৰ বাবে আলোচনা অনুষ্ঠিত হয়। এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সাংসদ দিলীপ শইকীয়া আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক আহ্বায়ক আৰু দৰং জিলাৰ সমষ্টিকেইটাৰ উপৰি নিকটৱৰ্তি জিলাৰ সমষ্টিসমূহৰ বিধায়কসকল সদস্য হিচাপে থাকিব। কালিৰ এই একেখন সভাতে বান পৰিস্থিতি আৰু এই সন্দৰ্ভত ল'বলগীয়া প্ৰস্তুতিৰ ওপৰতো আলোচনা কৰা হয়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছৰ  মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আৰম্ভ হ'ব। ৰজত পাটিদাৰ নেতৃত্বাধীন বেংগালুৰুৰ দলটোৱে চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰ খেলত পঞ্জাৱ কিংছক ৮ উইকেটত আৰু শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছে আহমেদাবাদত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে এই পৰ্যন্ত আজি খেলিবলগীয়া দল দুটাৰ কোনো এটাইও আই পি এলৰ খিতাপ দখল কৰিব পৰা নাই।

০০০০০০

সমাপ্ত